অসম চৰকাৰ
উচ্চ শিক্ষা সঞ্চালকৰ কাৰ্যালয়,
কাহিলিপাৰা, গুৱাহাটী-১৯

## আদেশ.

৮/৯/২০১৭

১৯৮২ চনৰ পৰা মহাবিদ্যালয়ৰ প্ৰবক্তা সকলৰ বাছনিৰ অনুমোদন দিওতে সঞ্চালকে তেনে প্ৰবক্তা সকল ৰাজ্যিক বাছনি পৰিষদৰ দ্বাৰা বাছনি নিজকে কৰাই লব লাগিব বুলি চৰ্ত্ত আৰোপ কৰা দেখা যায়।
এনে চৰ্ত্ত বহুতো প্ৰবক্তাই পুৰাব পৰা নাই আৰু তেনে প্ৰবক্তা সকলৰ বহুতো ইতিমধ্যে অৱসৰ লৈছে।নিযুক্তি পত্ৰত তেনে চৰ্ত্ত থকা বাবে প্ৰবক্তা সকলৰ পেন্সন সম্পৰ্কীয় নথি- পত্ৰ এই কাৰ্যালয়ৰ পৰা মহাগাণনিকৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব পৰা হোৱা নাই। ফলত এনে প্ৰবক্তা সকলে যথেষ্ট কষ্টৰ সন্মুখীন হৈছে।

বিষয়টো চালি জাৰি চোৱা হ'ল। দেখা গল যে চৰকাৰে ইতিমধ্যে স্মাৰক নং বি(২) এইচ.২৫৭/৯২/১০ তাৰিখ ৩/২/১৯৯৪ চিঠি যোগে এনে চৰ্ত্ত ৰেহাই দি সঞ্চালকক জনাইছিল। কিন্তু উক্ত চিঠিৰ মূল (ORIGINAL) প্ৰতিলিপি বিছাৰি পোৱা নগ'ল।

চৰকাৰে ৰাজ্যিক বাছনি পৰিযদখন ২০১০ চনত ভংগ কৰি দিয়ে। যিহেতু এতিয়া ৰাজ্যিক বাছনি পৰিষদ নাই, আৰু যিহেতু তেনে প্ৰক্তা সকলক ইতিমধ্যে Senior Scale/ Selection Grade scale / Associate Scale /confirmation আদি দিয়া হৈছে, এনে চৰ্ত্তৰ বাবে তেওঁলোকৰ পেন্সন সংক্ৰান্তীয় নথি প্ৰৰণ নকৰাৰ কোনো যুক্তি দেখা নগ'ল। সেয়েহে সকলো দিশ চালি জাৰি চাই আৰু জন সেৱাৰ স্বাৰ্থত এই সিদ্ধান্ত লোৱা হ'ল যে ৰাজ্যিক বাছনি পৰিষদৰ অনুমোদনৰ যি চৰ্ত্ত তেওঁলোকৰ অনুমাদনত আৰোপ কৰা হৈছিল সেই চৰ্ত্ত শিথিল কৰা হ'ল। কেৱল মাত্ৰ ৰাজ্যিক বাছনি পৰিষদৰ অনুমাদন বা বাছনিৰ স্বৰ্ত্ত থকা সকলো অৱসৰ প্ৰাপ্ত প্ৰবক্তাৰ পেন্সন সম্পৰ্কীয় নথি মহাগাণনিকৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লোৱা হ'ল যদিহে অন্যান্য নথি পত্ৰ যথাযথ পোৱা যায়।

স্বাঃ- (বি.এল. শৰ্মা,এ.চি.এছ)
সঞ্চালক উচ্চ শিক্ষা

স্মাৰ নং ডি.এইচ.ই/পেন ( চৰ্ত্ত) /১২৭/২০১৭/২২ তাৰিখঃ ৮/৯/২০১৭

প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰৰণ কৰা হ'ল

১। অসমৰ মহাগাণনিকৰ কাৰ্যালয়, মৈদান গাওঁ , গুৱাহাটী-২১ ,জ্ঞাতাৰ্থে প্ৰৰণ কৰা হ'ল।
২। প্ৰধান সচিব, উচ্চ শিক্ষা বিভাগ, জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল।
৩। সচিৱ, উচ্চ শিক্ষা/কাৰীকৰি শিক্ষা, দিছপুৰ , গুৱাহাটী, জ্ঞাতাৰ্থে পেৰণ কৰা হ'ল
৪। গাণনিক বিষয়া, পেন্সন 'বি' শাখা, অসমৰ মহাগাণনিকৰ কাৰ্যালয়, মৈদানগাওঁ, গুৱাহাটী।
৫। পেন্সন শাখা , আদেশ মতে ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হ'ল।
৬। শ্ৰী আব্দুল মতিন, জি.বি. শাখা, তেখেতে কাৰ্যালয়ৰ ৱেব- চাইট যোগে জাননীৰ বহুল প্ৰচাৰৰ ব্যৱস্থা ল'ব।

সঞ্চালক, উচ্চ শিক্ষা বিভাগ